# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১১৩/২০২০

## ন-ভঙ্গা বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ছাত্ৰ-ছাত্ৰীসকলক একাগ্ৰতা, সাধনা আৰু পৰিশ্ৰমৰ যোগেদি নিজকে সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৮ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দেৰগাঁৱৰ পুৰণামাটি ন-ভঙ্গা গাঁৱত ন-ভঙ্গা বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বানবিধ্বস্ত অঞ্চলটোত স্থাপিত এই বিদ্যালয়খনে এলোকাটোৰ শিক্ষাৰ আলোকৰে আলোকিত কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িত ব্যক্তিসকলক স্মৰণ কৰি কয় যে তেওঁ নিজে এক বান বিধ্বস্ত অঞ্চলৰ ব্যক্তি হিচাপে এনে এলেকাত স্থাপিত শিক্ষানুষ্ঠান এখনে সমাজ জীৱনলৈ আগবঢ়াব পৰা অৱদানৰ সম্পৰ্কত অৱগত। মুখ্যমন্ত্ৰীয়ে বিদ্যালয়খনে অঞ্চলটোত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যোগোৱা অৰিহণাৰ বাবে ইয়াৰ লগত জড়িত সকলোকে প্ৰশংসা কৰে।

শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতি এই তিনিওটা ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলক সমানে আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক একাগ্ৰতা, সাধনা, পৰিশ্ৰমৰ জৰিয়তে নিজকে একো-একোজন সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এলেহুৱা মানুহৰ ওপৰত কাৰো আস্থা নাথাকে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা আহৰণৰ বাবে নিয়মিতভাৱে ১০ ঘন্টাকৈ অধ্যয়নত ব্ৰতী হ'বলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে দৈহিক পৰিশ্ৰম আৰু ক্ৰীড়াৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্ব আৰোপ কৰি সুস্বাস্থ্যৰ গৰাকী হ'ব লাগিব।

মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত বিদ্যালয়খনত এখন খেলপথাৰ নিৰ্মাণ কৰাৰ বাবে ২০ লাখ টকা ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে তেওঁৰ শিথিল পুঁজিৰ পৰা আৰু ২০ লাখ টকা বিদ্যালয়খনৰ অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্মাণৰ বাবে প্ৰদান কৰাৰ কথা ঘোষণা কৰে। এই ভিতৰুৱা অঞ্চলৰ পৰা নমিতা দলে আৰু পুষ্পাঞ্জলি মৰাণৰ দৰে ছাত্ৰীয়ে ক্ৰীড়া ক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে ইয়াত নিৰ্মাণ হ'বলগীয়া খেলপথাৰৰ সুবিধা গ্ৰহণ কৰি ক্ৰীড়া ক্ষেত্ৰত নিজকে উজলাই তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

সাম্প্ৰতিক সময়ত শিক্ষাই শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়সমূহত বিনামূলীয়া নামভৰ্ত্তি, বিনামূলীয়া পাঠ্যপুথি তথা ইউনিফৰ্ম বিতৰণ, হোষ্টেলৰ আৱাসীৰ বাবে মাহিলী ৭০০ টকা ভাট্টা, শৈক্ষিক ঋণ লোৱা ছাত্ৰ-ছাত্ৰীক ৫০ হাজাৰ টকাকৈ এককালীন ৰাজসাহায্য প্ৰদান আদি ৰাজ্য চৰকাৰৰ পদক্ষেপ সমূহৰ বিষয়েও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই বছৰৰ ৰাজ্যিক বাজেটত দিব্যাংগ, কৃষক, যুৱক-যুৱতী, মহিলা আদি সকলো শ্ৰেণীৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম আৰু অধ্যাৱসায়ৰ মাজেৰে নিজৰ লগতে সমাজৰ উন্নয়নত অংশীদাৰ হ'বলৈ

আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে পৰিচালিত হৈ ৰাজ্য চৰকাৰে অসমৰ সৰ্বাংগীন উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে চৰকাৰী আঁচনি সমূহৰ সফল ৰূপায়ণৰ বাবে সমাজৰ সকলো স্তৰৰ ব্যক্তিকে ৰাজ্য চৰকাৰলৈ সহযোগ আগবঢ়াবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে পৰিৱেশ সংৰক্ষণৰ প্ৰতি নতুন প্ৰজন্মক সচেতন কৰি তুলিব লাগিব। এই ক্ষেত্ৰত পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰিৱেশৰ সংৰক্ষণৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে অন্ধবিশ্বাস আৰু কু-সংস্কাৰ হ'ল সামাজিক ব্যাধি। ইয়াৰ বিৰুদ্ধে বিজ্ঞানসন্মত মানসিকতা গঢ়ি তুলিব লাগিব। ছ'চিয়েল মিডিয়াৰ জৰিয়তে ভুৱা প্ৰচাৰ নচলাবলৈ আহ্বান জনাই সমাজৰ শান্তি-সম্প্ৰীতি বিঘ্নিত হ'ব পৰা কোনো কামেই কৰা উচিত নহয় বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে যুৱ প্ৰজন্মক ড্ৰাগছৰ লেখীয়া মহা ব্যাধিৰ পৰা আঁতৰত থাকিবলৈও আহ্বান জনায়।

আজিৰ এই সভাত সাংসদ প্ৰদান বৰুৱা, বিধায়ক মৃণাল শইকীয়া, বিদ্যালয়খনৰ প্ৰধান শিক্ষক অৰূপ কুমাৰ বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**স্বাঃডেঃ / পুঃডেঃ**
**৮/০৩/২০২০**